**29T HIST**

# 2019

# HISTORY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×12 = 12 |
| *Q. No.* **2** *carries* **2** *marks each* | 2×12 = 24 |
| *Q. No.* **3** *carries* **4** *marks each* | 4×10 = 40 |
| *Q. No.* **4** *carries* **6** *marks each* | 6×3 = 18 |
| *Q. No.* **5** *carries* **6** *marks each* | 6×1 = 6 |
| | Total =100 |

1. Answer the following questions : 1×12=12

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(i)* Who was Alexander Cunningham ? 1

আলেকজেণ্ডাৰ কানিংহাম কোন আছিল ?

*(ii)* Name the most powerful *mahajandapada* in India between the sixth and the fourth centuries BCE. 1

খ্ৰীষ্টপূৰ্ব ষষ্ঠ আৰু চতুৰ্থ শতিকাৰ ভিতৰত থকা ভাৰতৰ সকলোতকৈ শক্তিশালী মহাজনপদখনৰ নাম লিখা।

*(iii)* Who was the best known ruler of the Satavahana dynasty ? 1

সাতবাহন ৰাজবংশৰ শ্ৰেষ্ঠ বুলি জনাজাত শাসককৰ্তাজন কোন আছিল ?

*(iv)* Name *any one* of the *Tipitaka*. 1

তিপিটকৰ *যিকোনো এখনৰ* নাম লিখা।

*(v)* Who was the first British Commissioner of Assam ? 1

অসমৰ প্ৰথমজন বৃটিছ আয়ুক্ত (কমিচনাৰ) কোন আছিল ?

*(vi)* Name the Sultan of Delhi when Ibn Battuta visited India ? 1

ইবন বটুটাৰ ভাৰত ভ্ৰমণৰ সময়ত দিল্লীৰ চুলতান কোন আছিল লিখা।

*(vii)* Who was called *'Muquaddam'* ? 1

'মুকাদ্দাম' বুলি কাক কোৱা হৈছিল ?

(viii) Name the author of *Badshah Nama.* 1

'বাদশ্বাহ্ নামা'ৰ লিখকজনৰ নাম লিখা।

(ix) Which revenue system was introduced by the East India Company in the Bombay Deccan ? 1

ইষ্ট ইণ্ডিয়া কোম্পানিয়ে বোম্বাই দাক্ষিণাত্যত কোনটো ৰাজহ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল ?

(x) Where did Konwar Singh lead the rebels during the revolt of 1857 ? 1

১৮৫৭ চনৰ বিদ্ৰোহৰ সময়ত কোঁৱৰ সিঙে বিদ্ৰোহীসকলক ক'ত নেতৃত্ব প্ৰদান কৰিছিল ?

(xi) Which was the third major movement against the British rule launched by Mahatma Gandhi ? 1

মহাত্মা গান্ধীয়ে বৃটিছ শাসনৰ বিৰুদ্ধে চলোৱা তৃতীয়টো বৃহৎ আন্দোলন কি আছিল ?

(xii) By which name Khan Abdul Ghaffar Khan was known ? 1

খান আব্দুল গফৰ খান কি নামেৰে জনাজাত হৈছিল ?

2. Answer the following questions in brief : 2×12=24

নিম্নলিখিত প্ৰশ্নসমূহৰ সংক্ষিপ্ত উত্তৰ লিখা।

(i) How is the lower town different from the citadel in the towns of the Indus Valley Civilisation ? 2

সিন্ধু উপত্যকাৰ সভ্যতাৰ নগৰসমূহত দুৰ্গ নগৰ নামনিৰ নগৰতকৈ কেনেদৰে পৃথক আছিল ?

(*ii*) What was an *Agrahara* ? 2

'অগ্ৰহাৰ' কি আছিল ?

(*iii*) Name the *two* dynasties who were immediate successors to the Mauryas. ? 2

মৌৰ্যসকলৰ পিছতে ক্ষমতাধিষ্ঠিত হোৱা ৰাজবংশ *দুটাৰ* নাম লিখা।

(*iv*) Mention *two* peasants uprising of Assam in the nineteenth century. 2

ঊনবিংশ শতিকাত অসমত সংঘটিত *দুটা* কৃষক বিদ্ৰোহৰ নাম উল্লেখ কৰা।

(*v*) Name *any two* Sufi saints of Medieval India. 2

মধ্যযুগৰ ভাৰতৰ *যিকোনো দুজন* চুফী সন্তপুৰুষৰ নাম লিখা।

(*vi*) What do you understand by 'Jama' and 'Hasil' ? 2

'জমা' আৰু 'হাছিল' মানে কি বুজা ?

(*vii*) Mention *two* artisanal tasks which were dependent on female labour in India in the sixteenth-seventeenth centuries. 2

ষষ্ঠদশ-সপ্তদশ শতিকাত ভাৰতত মহিলাৰ শ্ৰমৰ ওপৰত নিৰ্ভৰশীল দুটা হস্তশিল্পৰ নাম উল্লেখ কৰা।

(*viii*) Name *two* capital cities developed by the Mughal emperors. 2

মোগল সম্ৰাটসকলে গঢ়ি তোলা *দুখন* ৰাজধানী নগৰৰ নাম লিখা।

(*ix*) What was the 'Fifth report' ? 2

'পঞ্চম প্ৰতিবেদন' কি আছিল ?

(x) Write *any two* programmes of the Non Cooperation Movement. 2

অসহযোগ আন্দোলনৰ *যিকোনো দুটা* কাৰ্যসূচী লিখা।

(xi) Who called for 'Direct Action' and which day was chosen for it? 2

কোনে 'প্ৰত্যক্ষ সংগ্ৰাম'ৰ আহ্বান জানাইছিল আৰু ইয়াৰ বাবে কোনটো দিন বাছি লোৱা হৈছিল ?

(xii) Name any two representatives of Indian National Congress who played particularly important role in the Constitutent Assembly of India. 2

ভাৰতৰ সংবিধান সভাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ *যিকোনো দুজন* সদস্যৰ নাম লিখা।

3. Answer the following questions : ***(any ten)*** 4×10=40

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা : ***(যিকোনো দহটা)***

(i) What were the basic features of the Great Bath found in Mohenjodaro? 4

মহেঞ্জোদাৰোত উদ্ধাৰ হোৱা বৃহৎ স্নানাগাৰটোৰ মূল বৈশিষ্ট্যসমূহ কি কি আছিল ?

(ii) Explain the limitations of the inscriptional evidences. 4

লিপিসমূহৰ সাক্ষ্যৰ সীমাবদ্ধতা সম্পৰ্কে ব্যাখ্যা কৰা।

(iii) What were the ideal occupations suggested by the Dharmasutras and Dharmashastras for the four *varnas*? 4

ধৰ্মশাস্ত্ৰ আৰু ধৰ্মসূত্ৰসমূহে বিধান দিয়া চাৰিওটা বৰ্ণৰ আদৰ্শ বৃত্তিসমূহ কি কি আছিল ?

(iv) Write briefly about the remains of ancient temples of Assam. 4

অসমৰ প্ৰাচীনকালৰ মন্দিৰসমূহৰ অৱশিষ্টবোৰৰ বিষয়ে চমুকৈ লিখা।

(v) What did Bernier state regarding land ownership in India? 4

ভাৰতত মাটিৰ মালিকীস্বত্বৰ বিষয়ে বাৰ্নিয়াৰে কি মত প্ৰকাশ কৰিছিল ?

(vi) Who was Baba Guru Nanak? What were his basic religious principles? 1+3=4

গুৰু নানক কোন আছিল ? তেওঁৰ মূল ধৰ্মীয় নীতিসমূহ কি কি আছিল ?

(vii) How did the Paharias use the forests for their livelihood? 4

পাহাৰীয়াসকলে জীৱিকা নিৰ্বাহৰ বাবে কেনেকৈ অৰণ্যবোৰ ব্যৱহাৰ কৰিছিল ?

(viii) How did the annexation of Oudh to the British Empire affect the Taluqdars there? 4

অযোধ্যা ৰাজ্যখন বৃটিছ সাম্ৰাজ্যত চামিলকৰণে তাৰ তালুকদাৰসকলক কেনেকৈ ক্ষতিগ্ৰস্ত কৰিছিল ?

(ix) Who was Lord Irwin? What were the terms of the Gandhi-Irwin Pact? 1+3=4

লৰ্ড আৰউইন কোন আছিল ? গান্ধী-আৰউইন চুক্তিৰ চৰ্তবোৰ কি কি আছিল ?

(x) In which year was the Survey of India established? How did the maps prepared during the colonial times reflect the bias of the British rulers? 1+3=4

ভাৰতৰ জৰীপ বিভাগ (চাৰ্ভে অৱ ইণ্ডিয়া) কোন চনত স্থাপন কৰা হৈছিল ? ঔপনিবেশিক কালত প্ৰস্তুত কৰা মানচিত্ৰসমূহে বৃটিছ শাসকবৰ্গৰ পক্ষপাতিত্ব কেনেদৰে প্ৰতিফলিত কৰিছিল ?

(*xi*) Explain the importance of the *Buranjis*. 4

বুৰঞ্জীবোৰৰ গুৰুত্ব ব্যাখ্যা কৰা।

(*xii*) Who introduced *Jharoka Darshan* ? How was it performed ? 1+3=4

'ঝৰোকা দৰ্শন' কোনে আৰম্ভ কৰিছিল ? ইয়াক কেনেকৈ পালন কৰা হৈছিল ?

(*xiii*) What arguments were put forward by the members of the Constituent Assembly in favour of a strong Central Government ?

সংবিধান সভাৰ সদস্যসকলে এখন শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ সপক্ষে কি কি যুক্তি দাঙি ধৰিছিল ? 4

4. Read the given passages carefully and answer the questions that follow :
(*Answer* ***any three***) 6×3=18

তলত দিয়া উদ্ধৃতি খণ্ডসমূহ মনোযোগেৰে পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ লিখা :
(***যিকোনো তিনিটা*** *খণ্ডৰ উত্তৰ দিয়া*)

(*a*) "The most important idea in Jainism is that the entire world is animated : even stones, rocks and water have life. Non-injury to living beings, especially to humans, animals, plants and insects is central to Jaina philosophy. In fact the principle of ahimsa, emphasized within Jainism, has left its mark on Indian thinking as a whole. According to Jaina teachings, the cycle of birth and rebirth is shaped through karma. Asceticism and penance are required to free oneself from the cycle of karma. This can be achieved only by renouncing the world ; therefore, monastic existence is a necessary condition of salvation. Jaina monks and nuns took five vows: to abstain from killing , stealing and lying, to observe celibacy ; and to abstain from possessing property."

(*i*) What is central to Jaina philosophy ? 1

(ii) Mention *two* vows taken by Jaina monks and nuns. 2

(iii) How karma and salvation are related to each other ? 3

“জৈন ধৰ্মৰ মূল ধাৰণা হ'ল যে, সমগ্ৰ বিশ্বখনেই জীৱন্ত, আনকি শিল, পাথৰ, পানী—আটাইৰে প্ৰাণ আছে আৰু মানুহ, পশু, উদ্ভিদ, পোক পৰুৱাকে আদি কৰি সকলো প্ৰাণীক আঘাত কৰাৰ পৰা বিৰত থকাটোহে হ'ল জৈনধৰ্মৰ মূলমন্ত্ৰ। বাস্তৱিকতে, জৈন ধৰ্মৰ অন্তৰ্গত অহিংসা নীতিৰ নিৰ্দেশ সমূহে সামগ্ৰিকভাবে ভাৰতীয় চিন্তাধাৰাৰ ওপৰত এটা গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে। জৈন দীক্ষামতে, কৰ্মই জন্ম আৰু পুনৰ জন্মৰ কালচক্ৰৰ নিয়ন্ত্ৰণ কৰে। কৰ্মৰ চক্ৰৱৎ আৱৰ্তনৰ পৰা মুক্তি পাবলৈ হ'লে বৈৰাগ্য আৰু কৃচ্ছ্ৰসাধনৰ প্ৰয়োজন হয়। এইবোৰ কৰিবলৈ হ'লে সংসাৰ ত্যাগ কৰিব লাগিব। এনেদৰে নিৰ্বাণ লাভ কৰিবলৈ হ'লে উদাসীন সন্ন্যাসী জীৱন যাপনৰ অতীব আৱশ্যক। জৈন ভিক্ষু আৰু ভিক্ষুণীসকলে যি পাঁচটা অংগীকাৰ কৰে, সেইকেইটা হ'ল—জীৱহত্যাৰ পৰা আঁতৰি থকা, চুৰ নকৰা, মিছা কথা নোকোৱা, ব্ৰহ্মচৰ্য পালন কৰা আৰু সম্পত্তি ৰখাৰ পৰা নিজকে বিৰত ৰখা।”

(i) জৈন দৰ্শনৰ মূলমন্ত্ৰ কি ? 1

(ii) জৈন ভিক্ষু আৰু ভিক্ষুণীসকলে গ্ৰহণ কৰা দুটা অংগীকাৰ উল্লেখ কৰা। 2

(iii) কৰ্ম আৰু নিৰ্বাণ লাভ কাৰ্য কেনেকৈ পাৰস্পৰিক সম্পৰ্কযুক্ত ? 3

(b) “By the first century CE, there is evidence of changes in Buddhist ideas and practices. Early Buddhist teachings have given importance to self-effort in achieving *nibbana*. Besides, the Buddha was regarded as a human being who attained enlightenment and *nibbana* through his own efforts. However, gradually the idea of a savior emerged. It was believed that he was one of who could ensure salvation. Simultaneously, the concept of Bodhisatta also developed. Bodhisattas were perceived as deeply compassionate beings who accumulated merit through their efforts but used this not to attain *nibbana* and thereby abandon the world, but to help others. The worship of the images of the Buddha and Bodhisattas became an important part of this tradition”

(i) When did changes in Buddhism occur ? 1

(ii) Who were the Bodhisattas ? 2

(iii) What changes did take place in Buddhism ? 3

"খ্ৰীষ্টীয় প্ৰথম শতিকালৈকে বৌদ্ধ ধৰ্মৰ ধাৰণা আৰু ক্ৰিয়াকাণ্ডৰ ভালেমান পৰিৱৰ্তন ঘটাৰ প্ৰমাণ পোৱা যায়। প্ৰাৰম্ভিক কালৰ বৌদ্ধ ধৰ্মীয় শিক্ষাই নিৰ্বাণ লাভৰ ক্ষেত্ৰত নিজৰ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তদুপৰি, বুদ্ধকো এজন ব্যক্তি হিচাপে ধৰি তেওঁ স্বকীয় প্ৰচেষ্টাত জ্ঞান আৰু নিৰ্বাণ লাভ কৰিছিল বুলি বিশ্বাস কৰা হৈছিল। অৱশ্যে, লাহে লাহে, এজন ত্ৰাণকৰ্তাৰ ধাৰণা এটাৰ উদ্ভৱ হ'ল। তেওঁৰ মুক্তিলাভ নিশ্চিত কৰিব পাৰে বুলি বিশ্বাস কৰিবলৈ লোৱা হ'ল। একে সময়তে বোধিসত্ত্বৰ ধাৰণাটোও গঢ়ি উঠিল। অতিশয় দয়ালু বুলি পৰিচিত বোধিসত্ত্বসকলে নিজ প্ৰচেষ্টাত বহুতো সৎগুণৰ অধিকাৰী হৈছিল। কিন্তু পুঞ্জীভূত সৎগুণসমূহৰ দ্বাৰা নিৰ্বাণ লাভ কৰি পৃথিৱী এৰি যোৱাতকৈ ইয়াক তেওঁলোকে আনক সহায় কৰাতহে ব্যয় কৰা উচিত বুলি বোধ কৰিছিল—সময়ত বুদ্ধ আৰু বোধিসত্ত্বৰ মূৰ্তি পূজা নব্য বৌদ্ধ ধৰ্মৰ এটা আৱশ্যকীয় পৰম্পৰাত পৰিণত হৈছিলগৈ।"

(i) বৌদ্ধধৰ্মত কেতিয়া পৰিৱৰ্তন সংঘটিত হৈছিল ? 1

(ii) বোধিসত্ত্বসকল কোন আছিল ? 2

(iii) বৌদ্ধধৰ্মত কেনে ধৰণৰ পৰিৱৰ্তন সংঘটিত হৈছিল ? 3

(c) "Krishnadeva Raya's rule was characterized by expansion and consolidation. This was the time when the land between the Tungabhadra and the Krishna rivers (the Raichur doab) was acquired (1512), the rulers of Orissa were subdued (1514) and severe defeats were inflicted on the Sultan of Bijapur (1520). Although the kingdom remained in a constant state of military preparedness, it flourished under conditions of unparalleled peace and prosperity. Krishnadeva Raya is credited with building some fine temples and adding impressive *gopurams* to many important south Indian temples. He also founded a suburban township near Vijaynagara called Nagalapuram after his mother. Some of the most detailed descriptions of Vijaynagara came from his time or just after."

(i) Where was the Raichur doab ? 1

(ii) What did Krishnadeva Raya build in his empire ? 2

(iii) How did the king expand his empire ? 3

“সাম্রাজ্য বিস্তাৰ আৰু সুদৃঢ়কৰণ কৃষ্ণদেৱ ৰায়ৰ শাসনৰ বৈশিষ্ট্য আছিল। এইসময়তে তুংগভদ্রা আৰু কৃষ্ণা নদীৰ মাজৰ ভূখণ্ড (ৰায়চুড় দোৱাব) অধিকাৰ কৰা হৈছিল (১৫১২), উৰিষ্যাৰ শাসনকর্তা সকলকো বশ কৰা হৈছিল (১৫১৪) আৰু কেইবাবাৰো বিজাপুৰৰ চুলতানক শোচনীয়ভাৱে পৰাজিত কৰা হৈছিল (১৫২০)। ৰাজ্যখন সামৰিকভাৱে সদা সষ্টম হৈ আছিল যদিও এক অতুলনীয় শান্তি আৰু সমৃদ্ধিশালী অৱস্থাৰে ইয়াৰ জয়জয় ময়ময় হৈছিল। কৃষ্ণদেৱ ৰায়ক কিছুমান সুন্দৰ মন্দিৰ নিৰ্মাণ কৰাৰ লগতে পূৰ্বৰ বহু দক্ষিণ ভাৰতীয় মন্দিৰত আকৰ্ষণীয় গপুৰম তৈয়াৰ কৰাৰ বাবে কৃতিত্ব প্ৰদান কৰা হয়। তেওঁ তেওঁৰ মাতৃৰ নামানুসাৰে বিজয়নগৰৰ সমীপতে নাগালাপুৰম নামে এখন উপকণ্ঠীয় নগৰ নিৰ্মাণ কৰাইছিল। বিজয়নগৰ সম্পৰ্কীয় বহু বিস্তৃত বিৱৰণ তেওঁৰ ৰাজত্বকালৰ পৰা অথবা তাৰ ঠিক পৰৱৰ্তীকালৰ পৰা পোৱা যায়।”

(i) ৰায়চুড় দোৱাব ক’ত আছিল ? 1

(ii) কৃষ্ণদেৱ ৰায়ে তেওঁৰ সাম্রাজ্যত কি কি নিৰ্মাণ কৰাইছিল ? 2

(iii) ৰজাজনে কেনেদৰে তেওঁৰ সাম্রাজ্য বিস্তাৰ কৰিছিল ? 3

(d) “Temple building in the region had a long history going back to dynasties such as the Pallavas, Chalukyas, Hoyasalas and Cholas. Rulers very often encouraged temple building as a means of associating themselves with the divine – often the deity was explicitly or implicitly identified with the king. Temples also functioned as centres of learning. Besides, rulers and others often granted land and other resources for the maintenance of temples. Consequently, temples developed as significant religious, social,

cultural and economic centres. From the point of view of the rulers, constructing, repairing and maintaining temples were important means of winning support and recognition for their power, wealth and property."

(i) In which region did the dynasties such as the Pallavas, Cholas etc. rule? 1

(ii) Why did the rulers build temples? 2

(iii) What was the importance of the temples? 3

"পল্লৱ, চালুক্য, হয়চোল আৰু চোল ৰাজবংশৰ দিনৰ পৰা আৰম্ভ কৰি এই অঞ্চলত মন্দিৰ নিৰ্মাণৰ এক দীৰ্ঘ ইতিহাস আছিল। ঐশ্বৰিক শক্তিৰ লগত নিজকে জড়িত কৰি ৰখাৰ এক উপায় হিচাপে শাসকবৰ্গই খুব সঘনে মন্দিৰ নিৰ্মাণৰ প্ৰতি উৎসাহ যোগাইছিল। আৰাধ্য দেৱতাজনক প্ৰায়ে প্ৰকাশ্যে অথবা প্ৰতীকীৰূপত ৰজাজনৰ ৰূপত চিহ্নিত কৰা হৈছিল। মন্দিৰবোৰে শৈক্ষিক কেন্দ্ৰৰূপেও কাম কৰিছিল। তদুপৰি প্ৰায়ে শাসকবৰ্গ আৰু অন্যান্যসকলে মন্দিৰবোৰৰ পালন পোষণৰ বাবে ভূমি আৰু অন্যান্য সা-সম্পত্তি দান কৰিছিল। ফলস্বৰূপে মন্দিৰবোৰ গুৰুত্বপূৰ্ণ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক কেন্দ্ৰৰূপে গঢ় লৈ উঠিছিল। শাসকসকলৰ দৃষ্টিকোণৰ পৰা মন্দিৰবোৰৰ নিৰ্মাণ, মেৰামতি আৰু সেইবোৰৰ তত্ত্বাৱধান কৰাটো তেওঁলোকৰ বাবে জন সমৰ্থন লাভ আৰু ক্ষমতা, সম্পদ আৰু সা-সম্পত্তিৰ স্বীকৃতি অৰ্জনৰ উপযোগী মাধ্যম আছিল।"

(i) পল্লৱ, চোল আদি ৰাজবংশ সমূহে কোন অঞ্চলত শাসন কৰিছিল ? 1

(ii) শাসকবৰ্গই কিয় মন্দিৰবোৰ নিৰ্মাণ কৰিছিল ? 2

(iii) মন্দিৰবোৰৰ কেনেধৰণৰ গুৰুত্ব আছিল ? 3

(e) "Bombay was initially seven islands. As the population grew, the islands were joined to create more space and they gradually fused into one big city. Bombay was the commercial capital of

colonial India. As the premier port on the western coast it was the centre of international trade. By the end of the nineteenth century, half the imports and exports of India passed through Bombay. One important item of this trade was opium that the East India Company exported to China. Indian merchants and middlemen supplied and participated in this trade and they helped integrate Bombay's economy directly to Malwa, Rajasthan and Sind where opium was grown. This collaboration with the Company was profitable and led to the growth of an Indian capitalist class. Bombay's capitalists came from diverse communities such as Parsi, Marwari, Konkani Muslim, Gujrati Bania, Bohra, Jew and Armenian."

*(i)* Name an important trade item that was exported to China from India by the East India Company. 1

*(ii)* Which communities formed the capitalist class of Bombay ? 2

*(iii)* Explain the importance of Bombay Port. 3

"প্ৰাৰম্ভিক অৱস্থাত বোম্বাই সাতটা দ্বীপৰ সমষ্টি আছিল। জনসংখ্যা বৃদ্ধিৰ বাবে প্ৰয়োজনীয় বৰ্ধিত স্থানৰ জোৰা মাৰিবলৈ ইহঁতক একত্ৰিত কৰি এখন বৃহৎ মহানগৰত পৰিণত কৰা হ'ল। বোম্বাই ঔপনিৱেশিক ভাৰতৰ বাণিজ্যিক ৰাজধানী আছিল। পশ্চিম উপকূলৰ প্ৰধান বন্দৰ ৰূপে ই আন্তঃৰাষ্ট্ৰীয় বেহা-বেপাৰৰ কেন্দ্ৰস্থল আছিল। ঊনবিংশ শতিকাৰ শেহলৈ ভাৰতৰ আমাদানি-ৰপ্তানি বাণিজ্যৰ অৰ্ধেক বোম্বাইৰ মাজেৰে পাৰ হৈছিল। এই বেহা-বেপাৰৰ এক গুৰুত্বপূৰ্ণ পণ্যদ্ৰব্য আছিল ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চীনদেশলৈ ৰপ্তানি কৰা

কানি। ভাৰতীয় ব্যৱসায়ী আৰু মধ্যভোগী সকলেও এই বাণিজ্যত অংশগ্ৰহণ কৰিছিল আৰু কানি যোগান ধৰিছিল। তেওঁলোকে কানি উৎপাদনকাৰী মালৱা, সিন্ধু আৰু ৰাজস্থানৰ লগত বোম্বাইৰ অৰ্থনীতিৰ এক প্ৰত্যক্ষ সংযোগ সাধন কৰিছিল। কোম্পানীৰ লগত এই সহযোগিতা লাভজনক বুলি পৰিগণিত পুঁজিপতি শ্ৰেণী গঢ়ি তোলাত অৰিহণা যোগাইছিল। বোম্বাইৰ পুঁজিপতি শ্ৰেণীটো পাৰ্চী, মাৰোৱাৰী, কোংকনী মুছলমান, গুজৰাটী বনিয়া, ব'হ্ৰা, ইহুদী আৰু আৰ্মেনীয়ৰ দৰে বিভিন্ন সম্প্ৰদায়ৰ মানুহ লৈ গঠিত হৈছিল।”

*(i)* ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চীনদেশলৈ ভাৰতৰ পৰা ৰপ্তানি কৰা এবিধ গুৰুত্বপূৰ্ণ পণ্যদ্ৰব্যৰ নাম লিখা। 1

*(ii)* কোনবোৰ সম্প্ৰদায়ৰ লোকে বোম্বাইৰ পুঁজিপতি শ্ৰেণীটো গঠন কৰিছিল ? 2

*(iii)* বোম্বাই বন্দৰৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰা। 3

*(f)* “From the mid eighteenth century, there was a new phase of change. Commercial centres such as Surat, Masulipatanam and Dhaka, which had grown in the seventeenth century, declined when trade shifted to other places. As the British gradually acquired political control after the Battle of Plassey in 1757, and the trade of the English East India Company expanded, colonial port cities such as Madras, Calcutta and Bombay rapidly emerged as the new economic capitals. They also became centres of colonial administration and military power. New buildings and institutions developed, and urban spaces were ordered in new ways. New occupations developed and people flocked to these colonial cities. By about 1800, they were the biggest cities in India in terms of population.”

(i) Why did the commercial centres decline which grew in the seventeenth century ? 1

(ii) What were the causes of the emergence of the new economic capitals ? 2

(iii) What were the characters of the newly emerged cities ? 3

"অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা পৰিৱৰ্তনৰ আন এক পৰ্যায় আৰম্ভ হয়। ব্যৱসায় বাণিজ্য যেতিয়া আন স্থানবোৰলৈ স্থানান্তৰিত হ'ল ; চুৰাট, মছুলিপটনম আৰু ঢাকাৰ দৰে সপ্তদশ শতিকাত গঢ়ি উঠা বাণিজ্যিক কেন্দ্ৰবোৰৰ অৱনতি ঘটিল। ১৭৫৭ চনৰ পলাছীৰ যুদ্ধৰ পিছত বৃটিছসকলে লাহে লাহে আহৰণ কৰা ৰাজনৈতিক নিয়ন্ত্ৰণ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাণিজ্যিক সম্প্ৰসাৰণৰ বাবে নতুন অৰ্থনৈতিক ৰাজধানীৰ ৰূপত মাদ্ৰাজ, কলিকতা আৰু বোম্বাইৰ দৰে ঔপনিৱেশিক বন্দৰ মহানগৰবোৰৰ দ্ৰুত উত্থান ঘটিল। এইবোৰ ঔপনিৱেশিক প্ৰশাসন নতুন আৰু সামৰিক শক্তিৰো কেন্দ্ৰস্থল হৈ পৰিছিল। ন ন ঘৰ দুৱাৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি তোলা হ'ল আৰু নগৰীয়া স্থানসমূহ নতুন ধৰণে শৃংখলিত ৰূপত সজাই তোলা হ'ল। নতুন নতুন বৃত্তি আৰম্ভ হ'ল আৰু এই ঔপনিৱেশিক মহানগৰবোৰলৈ মানুহৰ আগমন ঘটিল। ১৮০০ চন মানলৈ জনসংখ্যাৰ হিচাপত এইবোৰ ভাৰতৰ বৃহত্তম মহানগৰত পৰিণত হ'ল।"

(i) সপ্তদশ শতিকাত গঢ়ি উঠা বাণিজ্যিক কেন্দ্ৰস্থলবোৰৰ কিয় অৱনতি ঘটিছিল ? 1

(ii) নতুন অৰ্থনৈতিক ৰাজধানীবোৰৰ উত্থান ঘটাৰ কাৰণসমূহ কি কি আছিল ? 2

(iii) নৱ উত্থিত মহানগৰবোৰৰ বৈশিষ্ট্যসমূহ কি কি আছিল ? 3

5. Answer the following question. 6

নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ লিখা।

*(a)* Draw a map of India and identify the locations of the following ancient towns : Pataliputra, Kanauj, Mathura, Kaushambi, Ujjayini and Pragjyotishpura. 3+3=6

ভাৰতৰ এখন মানচিত্ৰ অংকন কৰি নিম্নলিখিত প্ৰাচীন নগৰসমূহৰ ভৌগোলিক অৱস্থান নিৰূপণ কৰা ঃ পাটলিপুত্ৰ, কনৌজ, মথুৰা, কৌশাম্বী, উজ্জয়িনী আৰু প্ৰাগজ্যোতিষপুৰ।

***Or / অথবা***

*(b)* Name *three* places of Pakistan and Afghanistan where Major rock Edicts of Asoka are found. Name the states of India to which Girnar, Sopara and Jaugada belong where Major rock Edicts of Asoka are found. 3+3=6

অশোকৰ বৃহৎ শিলানুশাসন (মেজৰ ৰ'ক এডিক্ট) উদ্ধাৰ হোৱা পাকিস্তান আৰু আফগানিস্তানৰ *তিনিখন* ঠাইৰ নাম লিখা। একেজন শাসকৰে এনে শিলানুশাসন উদ্ধাৰ হোৱা গিৰনাৰ, ছ'পাৰা আৰু জৌগদা ভাৰতৰ কোনকেইখন ৰাজ্যৰ অন্তৰ্গত লিখা।

———×———